**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে ইণ্ডিগ' এয়াৰ লাইন্সৰ বিমান সেৱা সামান্য উন্নত হৈছে আৰু আজি বিমানবন্দৰত যাত্ৰীসকলে অপেক্ষা কৰিবলগীয়া নহ'বও পাৰে বুলি আশা প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰৰ মূল উদ্দেশ্য হৈছে বিমানবন্দৰত সৃষ্টি হোৱা অসুবিধাজনক পৰিস্থিতি স্বাভাৱিক কৰা আৰু এই ক্ষেত্ৰত সকলো অংশীদাৰৰ সৈতে সক্ৰিয়ভাৱে যোগাযোগ ৰক্ষা কৰা হৈছে। নতুন দিল্লীত সাংবাদিকৰ আগত শ্ৰীনাইডুৱে কয়, যে অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে সকলো বিমানবন্দৰ আৰু বিমান পৰিবহণ সংস্থাৰ সৈতে যোগাযোগ ৰক্ষা কৰি শিশু, মাতৃ, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে।

ইপিনে সমগ্ৰ দেশতে ইণ্ডিগ'ৰ বহুসংখ্যক বিমানৰ সেৱা বাতিল হোৱাৰ ফলত যাত্ৰীসকলে সন্মুখীন হোৱা অসুবিধাৰ পৰিপ্ৰেক্ষিতত ইণ্ডিগ'ৰ মুখ্য কাৰ্যবাহী বিষয়া পিটাৰ এলবাৰ্ছে ক্ষমা বিচাৰিছে। এটা ভিডিঅ' বাৰ্তাত শ্ৰীএলবাৰ্ছে কয়, যে বিগত কেইটামান দিনত বিমান পৰিবহণ সংস্থাটোৱে গুৰুতৰ পৰিচালন সমস্যাৰ সন্মুখীন হৈছে, যাৰ ফলত বিশেষকৈ কালিৰ দিনটোত এহেজাৰৰো অধিক বিমান বাতিল কৰিবলগীয়া হয়। অহা ১০ৰ পৰা ১৫ ডিচেম্বৰৰ ভিতৰত ইণ্ডিগ'ৰ বিমান সেৱা পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিব বুলি মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে আশ্বাস দিয়ে।

দেশৰ ব্যক্তিগত খণ্ডৰ বৃহত্তম বিমান পৰিবহণ সংস্থা ইণ্ডিগ' এয়াৰলাইন্সৰ পাইলটসকলৰ অসহযোগিতাকে ধৰি বিভিন্ন কাৰণত কালিও সমগ্ৰ দেশতে পৰিবহণ সংস্থাটোৰ বিমান সেৱা অচল হৈ থকাত যাত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰতো ইণ্ডিগ'ৰ কেইবাখনো বিমানৰ যাত্ৰা বাতিল কৰা হয় আৰু আন কেইবাখনো বিমান যথেষ্ট পলমকৈ চলাচল কৰে। ইণ্ডিগ' কৰ্তৃপক্ষই তেওঁলোকৰ বিমানসমূহৰ যাত্ৰা বাতিল অথবা সময়সূচী সলনি সম্পৰ্কত কোনো আগতীয়া তথ্য প্ৰকাশ নকৰাৰ বাবে বিমানবন্দৰত বিশৃংখলতাৰ সৃষ্টি হয়। ডিব্ৰুগড়, লখিমপুৰ, যোৰহাট, তেজপুৰ আৰু ইটানগৰৰ সমীপৰ হলংগি বিমানবন্দৰৰ পৰা চলাচল কৰা ইণ্ডিগ'ৰ কেইবাখনো বিমানৰ যাত্ৰা বাতিল হোৱাৰ ফলত যাত্ৰীসকলে দুৰ্ভোগ ভূগিবলগীয়া হয়।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দুদিনীয়া ভ্ৰমণসূচীৰে আজি শিলচৰলৈ যাব। তেওঁ হাইলাকান্দি আৰু শিলচৰত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে শিলচৰত উপস্থিত হৈ হাইলাকান্দিলৈ যাব আৰু তাত দিনৰ ভাগত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰিব। দুপৰীয়া ড০ শৰ্মাই কাছাৰৰ ঢলাই বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰজালেংগা খেলপথাৰত আয়োজিত মহিলা উদ্যমিতা অভিযান আঁচনীৰ অধীনত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰিব।

কাইলৈ পুৱাৰ ভাগত মুখ্যমন্ত্ৰী ড০ শৰ্মাই শিলচৰৰ মধুৰাঘাট দলঙৰ আধাৰশিলা স্থাপন কৰিব। উল্লেখযোগ্য যে, এই দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'লে বৃহত্তৰ মধুৰাকে ধৰি আশে-পাশে থকা অঞ্চলসমূহৰ মাজত যোগাযোগ ব্যৱস্থা উন্নত আৰু ক্ষীপ্ৰ হ'ব। দিনৰ ভাগত মুখ্যমন্ত্ৰীগৰাকী উধাৰবন্দ দি এণ্ড এইছ এছ খেলপথাৰত আয়োজন কৰা

মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ অনুষ্ঠানত ভাগ লৈ হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰিব। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মা গুৱাহাটীলৈ উভতি আহিব।

০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত গঠন কৰা বিশেষ তদন্তকাৰী গোট এছ্ আই টিয়ে এই গোচৰৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰিছে আৰু ১২ ডিচেম্বৰৰ ভিতৰত অভিযোগনামা দাখিল কৰিব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এছ্ আই টিয়ে ভালেসংখ্যক সাক্ষ্য প্ৰমাণ লাভ কৰাৰ লগতে প্ৰায় তিনি হাজাৰ পৃষ্ঠাৰ অভিযোগনামা সাজু কৰিছে আৰু নিৰ্ধাৰিত সময়ৰ পূৰ্বেই ইয়াক দাখিল কৰা হ'ব।

*-বাইট-*

০০০০০০

গুৱাহাটীস্থিত অসম শিশু সাহিত্য ন্যাসৰ কাৰ্যালয়ত আজি ন্যাসে নতুনকৈ প্ৰকাশ কৰি উলিওৱা ৫২ খন গ্ৰন্থ উন্মোচন কৰা হ'ব। ইয়াৰ লগতে ন্যাসে অসম ভিত্তিক আয়োজন কৰা পাণ্ডুলিপি প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰা প্ৰতিযোগিসকলক এই সভাতে পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব। অনুষ্ঠানত শিক্ষা মন্ত্ৰী তথা ন্যাসৰ সভাপতি ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ন্যাসৰ উপ-সভাপতি তথা সু-সাহিত্যিক অৰূপ কুমাৰ দত্ত এই অনুষ্ঠানৰ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বুলি অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষিকেশ গোস্বামীয়ে জানিবলৈ দিয়ে।

০০০০০০

সমাপ্ত